**নং ঃ ৩২/২০২০**

## আজি নতুন দিল্লীত স্বাক্ষৰিত বড়ো চুক্তিক আদৰণি জনালে মুখ্যমন্ত্ৰীয়ে

### শান্তি প্ৰক্ৰিয়াত এই চুক্তিখনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৭ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে অসমৰ ভৌগলিক সীমা অক্ষুণ্ণ ৰাখি বড়ো চুক্তি কাৰ্যকৰী কৰা হ'ব। এই চুক্তি ৰূপায়ণ ব্যৱস্থাত যিবোৰ দফা সন্নিৱিষ্ট হৈছে সেই বোৰ কাৰ্যকৰী ৰূপ দিয়াৰ বাবে আমি সকলোৰে মিলি কাম কৰিম। অসমৰ বুকুত বসবাস কৰা কোনো জনগোষ্ঠীয়ে  এইখন চুক্তিক লৈ শংকিত আৰু চিন্তিত হ'ব নালাগে। এই চুক্তিখনে সকলোকে মৰ্যাদা দিব আৰু এই চুক্তিখন কাৰ্যকৰী ৰূপ দিওতে বড়ো সম্প্ৰদায়ৰ ৰাইজে সকলোকে আস্থা আৰু বিশ্বাসত লৈ আগবাঢ়িব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ জনসাধাৰণে এই সমগ্ৰ বিষয়টো আন্তৰিকাৰে সহযোগিতা আগবঢ়াব।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে অসমক এখন সন্ত্ৰাসবাদ মুক্ত ৰাজ্য হিচাপে গঢ় দিয়াৰ বাবে সৰ্বস্তৰৰ ৰাইজে প্ৰয়াস চলাই আহিছে। এই শান্তি প্ৰক্ৰিয়াত এই চুক্তিখনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। নতুন প্ৰজন্মক শান্তিৰে উন্নয়নৰ প্ৰক্ৰিয়া ত্বৰান্বিত কৰাৰ দিশটো চুক্তিখনে উৎসাহিত কৰিব। মুখ্যমন্ত্ৰীয়ে আবছু আৰু এনডিএফবিকে ধৰি সকলো দল-সংগঠনকে ধন্যবাদ জ্ঞাপন কৰে। তেওঁ লগতে কয় যে এই চুক্তিখনৰ ক্ষেত্ৰত বিভিন্ন দল-সংগঠনে উল্লেখযোগ্য অৰিহণা আগবঢ়াইছে। এই সমগ্ৰ বিষয়টোত স্বাস্থ্য মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীয়ে লোৱা ভূমিকাৰো মুখ্যমন্ত্ৰীয়ে শলাগ লয়। আগন্তুক দিনত এই চুক্তিখন যাতে আখৰে আখৰে ৰূপায়ণ হয় সেই দিশত ৰাজ্য চৰকাৰৰ তৰফৰ পৰা সম্পূৰ্ণ সহায়-সহযোগিতা আগবঢ়োৱা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে এই চুক্তি ৰূপায়ণৰ বাবে বৃহত্তৰ বিটিচি এলেকাত বসবাস কৰা সকলো ৰাইজকে আন্তৰিক ওলগ জনায়। মুখ্যমন্ত্ৰীয়ে এই চুক্তিয়ে বৃহত্তৰ বিটিচি অঞ্চলৰ শান্তি আৰু বিকাশৰ যাত্ৰা অধিক শক্তিশালী কৰিব বুলিও কয়।

উল্লেখ্য যে আজি নতুন দিল্লীত  কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু বড়ো প্ৰতিনিধি সকলৰ মাজত বৃহত্তৰ বিটিচি এলেকাৰ জনসাধাৰণৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক প্ৰত্যাশা পূৰণৰ অৰ্থে কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ আৰু মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল, স্বাস্থ্য, বিত্ত ইত্যাদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা,  বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীৰ উপস্থিতিত এখন চুক্তি স্বাক্ষৰিত হয়।

**দীঃলঃ / পুঃডেঃ / বংভাঃ**
**২৭/০১/২০২০**